## 'সংস্কাৰ'

প্ৰান্তিকত (১।৭।২০২০) প্ৰকাশিত মণিমা গোস্বামীৰ 'সংস্কাৰ' গল্পটিত অকালতে বৈধব্যক আঁকোৱালি ল'বলগীয়া হোৱা বোৱাৰী অনিন্দিতাক ব্ৰাহ্মণে দিয়া পৰামৰ্শ— "এবছৰ একান্ন ভোজন, আজীৱন নিৰামিষভোজী হ'ব লাগিব"ক, অৰ্থাৎ বৈধব্য ব্ৰতক প্ৰত্যাখ্যান কৰি শাহুৱেক কান্তা দেৱীয়ে কোৱা—"লুকাই-চুৰকৈ বা মিথ্যাৰ আশ্ৰয় লৈ জীৱন অতিবাহিত কৰাজনক মই ঘৃণা কৰোঁ। আজিৰ এই শুভক্ষণতে, আপোনালোক উপস্থিত থকা মুহূৰ্ততে, বোৱাৰীয়ে বৈধব্য ব্ৰত ত্যাগ কৰিব। ..." মানুহ স্বাধীন জীৱ। নিজ মৰ্যাদা অক্ষুণ্ণ ৰাখি স্বাধীন মনেৰে জীৱনযাপন কৰাৰ ক্ষেত্ৰত মানুহক বাধা দিয়াৰ অধিকাৰ কাৰোৰেই নাই। বিধৱা হোৱাই জীৱনৰ গতি স্তব্ধ হৈ যোৱা নুবুজায়। যিমানেই সমাজে নিয়ম সৃষ্টি নকৰক কিয়, এই নিয়মে নাৰীগৰাকীৰ মনক কোনোকালেই সলনি কৰিব নোৱাৰে। বহুতেই সমাজ-পৰিয়ালৰ সুখৰ বাবেহে কটকটীয়া নিয়মবোৰ মানি আহিছে, মনৰ ইচ্ছাৰ অবিহনেই আনৰ সুখৰ বাবে নিজ সুখ জলাঞ্জলি দি হ'লেও। কিছুমান কঠোৰ নিয়ম (যিবোৰ নামানিলেও কাৰো একো ক্ষতি নহয়) ভংগ কৰাৰ সাহস কিন্তু নাৰীয়ে কৰিবই লাগিব, নহ'লে নাৰীৰ জীৱনটো আনৰদ্বাৰা পৰিচালিত হৈ এদিন নিজৰ অস্তিত্বই পাহৰি যোৱাৰ দৰে হ'ব।

**ইপ্সিতা কন্দলি শৰ্মা**,
অইল হাউছিং কলনি, চাৰিগাঁও,
যোৰহাট-৭৮৫০১০, ফোন ঃ ৮৪০৩০০৫৪৩২

## দুই

মণিমা গোস্বামীৰ 'সংস্কাৰ' গল্পটো পঢ়ি মনৰ ভাব ব্যক্ত কৰিবলৈ মন গ'ল। একবিংশ শতিকাত আমাৰ সমাজখন দ্ৰুতগতিত আগবাঢ়ি গৈছে। তথাপি এতিয়াও কিন্তু সমাজত কিছুমান নীতি-নিয়মৰ বাধ্যকতা আঁতৰা নাই। যাৰ পৰিণাম ভুগিব লগীয়া হয় একাংশ নাৰীয়ে। বহু ক্ষেত্ৰত নাৰী সবল হৈ আগবাঢ়ি যায় যদিও সমাজৰ নীতি-নিয়মৰ শিকলিৰে বান্ধ খাই নিজৰ মত সাব্যস্ত কৰিব নোৱাৰে। যেতিয়াই সীমা চেৰাই নগৈ স্বইচ্ছাৰে জীৱন অতিবাহিত কৰিব খোজে তেতিয়াই বাধাৰ সন্মুখীন হ'ব লগীয়া হয়। এইক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব ঘৰখনেই। প্ৰতিটো খোজতে সহায়ৰ হাত আগবঢ়াব লাগিব। এইক্ষেত্ৰত 'সংস্কাৰ' গল্পটিৰ কান্তা দেৱী নাৰী সবলীকৰণৰ পথ প্ৰদৰ্শক।

**দীপাঞ্জলি শইকীয়া**,
ডাক ঃ পুলিবৰ, যোৰহাট-৭৮৫০০৬,
ফোন ঃ ৯১০১৪৮২০৬৯

## বাতৰিকাকতৰ সৰু লেখা এটা আৰু এজন উপায়ুক্ত

কেইবছৰমান পূৰ্বে আমি কেইজনমান বন্ধুৱে ভাবি-চিন্তি বাতৰিকাকতলৈ এখন সৰু চিঠি লিখিছিলোঁ। বিষয়টো আছিল তেজপুৰ চহৰৰ মাজমজিয়াৰ দুখন ছোৱালী হাইস্কুলৰ ওচৰত গাহৰিয়ে কৰা কদৰ্যময় পৰিৱেশ। সেই পৰিৱেশৰ বাবে প্ৰত্যক্ষভাৱে জগৰীয়া আছিল গাহৰি পালকসকল। কিন্তু আমাৰ বক্তব্যত শোণিতপুৰ জিলা প্ৰশাসনকো পৰোক্ষভাৱে জগৰীয়া কৰিছিলোঁ। কাৰণ জিলা প্ৰশাসনৰ মুৰব্বী উপায়ুক্তগৰাকীয়েই অঞ্চলটোৰ অভিভাৱক। অৱশ্যে বাতৰিকাকতৰ ভিতৰৰ পৃষ্ঠাত প্ৰকাশিত সৰু চিঠি এখনৰদ্বাৰা যে কিবা সুফল পাম সেই আশাও কৰা নাছিলোঁ। কিন্তু আমাক আচৰিত কৰি চিঠিখন প্ৰকাশ পোৱাৰ দিনা প্ৰথমেই ফোন কৰা ব্যক্তিজন আছিল শোণিতপুৰ জিলাৰ তদানীন্তন উপায়ুক্ত ললিত গগৈ ডাঙৰীয়া। বিষয়টো সন্দৰ্ভত কথা পাতিবলৈ তেখেতে সেইদিনাই পুৱা দহ বজাত আমাক মাতি পঠিয়াইছিল। সকলো পক্ষৰ লগত আলোচনা কৰি অতি কম দিনৰ ভিতৰতে ফলপ্ৰসূ ব্যৱস্থা হাতত লৈছিল।

বহুদিনৰ পাছত বিষয়টো পুনৰ অৱতাৰণা কৰাৰ উদ্দেশ্য হ'ল দুটা। এটা হ'ল, সকলো সমস্যা আপোনা-আপুনি প্ৰশাসনৰ দৃষ্টিগোচৰ নহ'বও পাৰে। সাধাৰণ নাগৰিক হিচাপে সঠিক সময়ত সংশ্লিষ্ট পক্ষক সেইবোৰ জনোৱাটো আমাৰ দায়িত্ব বুলি ভাবিব লাগে। দ্বিতীয়তে, মই চিঠিখনত বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ উপায়ুক্তক জগৰীয়া কৰিছিলোঁ যদিও ফলপ্ৰসূ প্ৰচেষ্টা হাতত লোৱাৰ বাবে তেখেতক আজিলৈকে ধন্যবাদ দিয়া নহ'ল। আন কোনোবা হ'লে চাগৈ চৰকাৰী কৰ্মচাৰী হৈ চৰকাৰৰ শীৰ্ষ বিষয়াক ৰাজহুৱাকৈ জগৰীয়া কৰাৰ বাবে কথাটো বেলেগ ধৰণে ল'লেহেঁতেন। কিন্তু সেই সময়ৰ শোণিতপুৰৰ উপায়ুক্ত ললিত গগৈ ডাঙৰীয়াই অভিযোগটো যোগাত্মকভাৱে লৈ সমস্যাটো আন্তৰিকতাৰে সমাধান কৰিবলৈ চেষ্টা কৰিছিল।

**দীপাংক বৰা**,
জিলা তথ্য বিজ্ঞান বিষয়া, ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰ,
ডিমা হাচাও, হাফলং, ফোন ঃ ৯৪৩৫১৮০৫০৪

## এছিয়াৰ সৰ্বপ্ৰথম সংৰক্ষিত বনাঞ্চল 'নামবৰ'

ভাৰতৰ ভিতৰতে উল্লেখযোগ্য নামবৰ সংৰক্ষিত বনাঞ্চল গোলাঘাট জিলাত অৱস্থিত। গোলাঘাট নগৰৰপৰা প্ৰায় ১৫ কিল'মিটাৰ দূৰত্বত থকা এই বনাঞ্চলখন বিশ্বৰ ভিতৰতে পুৰণি বনাঞ্চল। ইংৰাজৰ শাসন কালত, অৰ্থাৎ ১৮৭২ চনৰ ৯ আগষ্টৰ দিনা গোলাঘাট মহকুমাৰ ১,৪১,৩৬৪ হেক্টৰ বনভূমিক 'নামবৰ সংৰক্ষিত বনাঞ্চল' হিচাপে ঘোষণা কৰা হৈছিল। উল্লেখযোগ্য যে এইখনেই আছিল এছিয়া মহাদেশৰ সৰ্বপ্ৰথমখন সংৰক্ষিত বনাঞ্চল। ১৯২৬ চনত বনাঞ্চলখনৰ বৃহৎ অংশ এটা ৰে'লপথ, স্থলপথ আৰু গাঁও স্থাপনৰ বাবে এৰি দিব লগা হয়। ফলত বনাঞ্চলৰ মাটিকালি কমি গৈ ৭২,৪৮৬ হেক্টৰত ৰয়গৈ। ১৯৫২ চনৰ ১০ জুলাইত নামবৰ সংৰক্ষিত বনাঞ্চলৰ ৬.৫০ বৰ্গ কিল'মিটাৰ অংশক 'গৰমপানী বন্যপ্ৰাণী অভয়াৰণ্য' হিচাপে ঘোষণা কৰা হয়। ১৯৬৫-৬৬ চনত নামবৰ দুটা ভাগত বিভক্ত হৈ উত্তৰ নামবৰ আৰু দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চল হয়। উত্তৰ নামবৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্ভুক্ত হয় ৩২,০৪৩ হেক্টৰ ভূমি; ইয়াৰে ১৬,৬৩৩ হেক্টৰ ভূমি পাছলৈ কাৰ্বি আংলং জিলালৈ যায়। আনহাতে দক্ষিণ নামবৰৰ অন্তৰ্ভুক্ত হয় ১৭,১৫২ হেক্টৰ বনভূমি। কিন্তু সময়ৰ অগ্ৰগতিত, মানুহৰ আগ্ৰাসন আৰু বেদখলৰ বাবে নামবৰ সংৰক্ষিত বনাঞ্চলৰ পৰিসীমা ক্ৰমান্বয়ে সৰু হৈ আহিল। ২০০৩ চনৰ ৫ ছেপ্টেম্বৰত উত্তৰ নামবৰৰ ৫,৪৯২ হেক্টৰ বনভূমি আৰু উজনি-নামনি দৈগ্ৰোং সংৰক্ষিত বনাঞ্চলৰ ৯৭.১৫ বৰ্গ কিল'মিটাৰ এলেকা সামৰি চৰকাৰে 'নামবৰ-দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্য' ঘোষণা কৰে।

নামবৰ সংৰক্ষিত বনাঞ্চল বনৰীয়া হাতীৰ ৰম্যভূমি বুলি জনা যায়। হাতীৰ বাহিৰেও ইয়াত ঢেঁকীয়াপতীয়া বাঘ, ঘোং, মেথোন, হলৌ বান্দৰ, শৰ পহু, সুগৰি পহু, কেঁটেলা পহু, নাহৰফুটুকী বাঘ, লতামাকৰী বাঘ, গাহৰি, গুঁই আদিৰ লগতে বিভিন্ন প্ৰজাতিৰ সৰীসৃপ আৰু কাছ (বৰকাছ, উলুকাছ, দুৰাকাছ, খতৌকাছ) আছে।

নামবৰ সংৰক্ষিত বনাঞ্চলত হাড়গিলা, বৰটোকোলা, দেওহাঁহ, ধনেশ, ফেঁচা, টেক-টেকী, তেলীয়াসাৰেং, মইনা, হাইঠা, শগুন, মৌপিয়া, ডাউক, ডঁৰিক, দেওডঁৰিক, কাম চৰাই, শিলকপৌ, নীলকপৌ, বৰকপৌ, কাকৈশিৰা আদি চৰাইৰ লগতে বিভিন্ন ধৰণৰ বান্দৰ (হনুমান বান্দৰ, লাজুকী বান্দৰ, মলুৱা বান্দৰ, গাহৰি নেজীয়া বান্দৰ) আছে। আনহাতে উদ্ভিদৰ ক্ষেত্ৰতো নামবৰ সংৰক্ষিত বনাঞ্চল অতিকে চহকী। শাল, চেগুন, বনচোম, তিতাচপা, আম, গমাৰি, পনিয়ল, লেটেকু, সুমথিৰা, বগীশাল আদি গছ ইয়াত পোৱা যায়। নামবৰত ১০৩টা প্ৰজাতিৰ মাছ, ১২১টা প্ৰজাতিৰ শেলুৱৈ, ৭৯টা প্ৰজাতিৰ কাঠফুলা আৰু ৬২টা প্ৰজাতিৰ ঢেঁকীয়া (Fiddlehead Fern) পোৱা যায়। ইয়াৰ